# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2025
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - -**

১। প্ৰতিখন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকা বিনিয়োগেৰে ৰাজ্য চৰকাৰে স্কুলীয়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। পহিলা মাঘ উপলক্ষে ৰাজ্যৰ ধৰ্মীয় উপাসনাস্থলীসমূহত অগণন লোকৰ সমাগম। মকৰ সংক্ৰান্তিৰ সৈতে সংগতি ৰাখি টুচু আৰু বাথৌ পূজাৰো আয়োজন।

৩। কাইলৈৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ঐতিহাসিক জোনবিল মেলা।

৪। গুৱাহাটী মহানগৰীৰ ৯ খন আৰক্ষী থানাত নতুন ভাৰপ্ৰাপ্ত বিষয়াক নিযুক্তি।

**আৰু**

৫। আয়াৰলেণ্ডৰ বিৰুদ্ধে ৩-০ৰ ফলাফলেৰে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ এদিনীয়া শৃংখলা দখল।

০০০০০

ৰাজ্য চৰকাৰে বিশ্বমানৰ সা-সুবিধাৰ সৈতে প্ৰতিখন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকা বিনিয়োগ কৰি স্কুলীয়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে। আজি কামৰূপ জিলাৰ বেজেৰা আদৰ্শ বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে চলিত বৰ্ষত এনে আৰু ৪৯৯খন বিদ্যালয় মুকলি কৰা হ'ব। অসমৰ স্কুলীয়া শিক্ষাৰ বাবে এয়া ঐতিহাসিক বুলি  উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে  চৰকাৰে দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালৰ শিশুসকলৰ প্ৰকৃত সবলীকৰণৰ উদ্দেশ্যে পৰৱৰ্ত্তী পাঁচ বছৰত এনে ৫ হাজাৰখন বিদ্যালয় নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে। তেওঁ কয় যে ইয়াৰ ফলত শিশুসকলে চৰকাৰী বিদ্যালয়তে উত্তম শিক্ষা লাভ কৰিবলৈ সমৰ্থ হ'ব। ড০ শৰ্মাই লগতে কয় যে অসমৰ দৰে ৰাজ্য এখনৰ বাবে কিছু বছৰ পূৰ্বে অত্যাধুনিক আন্তঃগাঁথনি বিদ্যালয় নিৰ্মাণৰ বাবে ৪ হাজাৰ কোটি টকা ভাবিব নোৱাৰা কথা আছিল যদিও প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা চিকিৎসা মহাবিদ্যালয় আৰু ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সৈতে অসমে সম্প্ৰতি দেশক পথ দেখুৱাবলৈ সমৰ্থ হৈছে। শিক্ষকসকলৰ বদলিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়-

বাইট- মুখ্যমন্ত্ৰী

০০০০০

পহিলা মাঘ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ আৰু অন্য ধৰ্মীয় উপাসনাস্থলীসমূহত অগণন লোকৰ সমাগম হয়। ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰাৰ লগতে ঠায়ে ঠায়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

নগাঁও জিলাৰ নেহৰুবালিত যোৱা ১৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত ছদিনীয়া ভোগালী বিহুৰ কাৰ্যসূচীত আজি মন্ত্ৰী পীযূষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে বিহুৰ সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

**চৰাইদেউ** জিলাত মাঘ বিহু উপলক্ষে আয়োজন কৰা সম্প্ৰীতিৰ ভোগালী জলপান শীৰ্ষক এটা অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে।

টাই-আহোম যুৱ পৰিষদৰ উদ্যোগত **শিৱসাগৰ** জিলাৰ ৰংঘৰ বাকৰিৰ ৰূপহী পথাৰত মাঘ বিহুৰ সৈতে সংগতি ৰাখি ৰংপুৰ মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত বিভিন্ন জনগোষ্ঠীৰ নৃত্য পৰিৱেশনৰ লগতে ৰছি টনা, কড়ি খেল আদিকে ধৰি ভালেমান পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত হয়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই মেলাৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতি গ্ৰন্থ উন্মোচন কৰে।

**বৰপেটা** জিলাৰ সত্ৰকেন্দ্ৰিক পৰম্পৰাত আজিহে মাঘ বিহুৰ  মেজি জ্বলোৱা হয়। নিয়ম অনুসৰি বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছত সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজিসমূহ জ্বলোৱা হয়।

মাঘৰ প্ৰথম দিন উপলক্ষে আজি নামনি অসমৰ বিভিন্ন ঠাইত মাঘৰ বিশেষ সভা মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা জিলাৰ চেঙাৰ ঐতিহ্যমণ্ডিত সভা মহোৎসৱ ৯২ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে। একেদৰে নলবাৰী জিলাৰ হাৰিভাঙাতো সভা মহোৎসৱ উলহ-মালহেৰে আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ কাৰহানাৰ শ্ৰীশ্ৰীকৃষ্ণ সত্ৰতো কালিৰে পৰা চাৰিদিনীয়াকৈ মাঘ সভা মহোৎসৱ অনুষ্ঠিত হৈছে। এই উপলক্ষে আজি ভাগৱত ভ্ৰমণ, আৰজ বন্দনা নাম-প্ৰসংগ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

হিন্দু-মুছলমান আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিবেণীসংগম ৰূপে খ্যাত কামৰূপ জিলাৰ তীৰ্থনগৰী **হাজোত** আজি পহিলা মাঘ উপলক্ষে হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত মণিকূট উৎসৱ অনুষ্ঠিত কৰা হয়। জাতি-ধৰ্ম নিৰ্বিশেষে বহুসংখ্যক লোকে পোৱামক্কা দৰগাহ শ্বৰীফৰ পৰা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ উলিওৱা সমন্বয় শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। এই উৎসৱত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃত্বৰ লগতে বহুকেইগৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰে।

একেদৰে গুৱাহাটী মহানগৰীৰ ধৰ্মীয় স্থানসমূহতো অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হয়। কামাখ্যা মন্দিৰ, বশিষ্ঠ মন্দিৰ, দৌলগোবিন্দ মন্দিৰ, উমানন্দ, শুক্ৰেশ্বৰ দেৱালয়কে ধৰি ধৰ্মীয় স্থানসমূহত আজি পুৱাৰে পৰা বহুলোকৰ সমাগম ঘটে।

বড়ো জনগোষ্ঠীয় লোকসকলেও পুহ মাহৰ দোমাহী উপলক্ষে মাগৌ দোমাসী উৎসৱ পালন কৰে। উপাস্য দেৱতাসকলৰ নামত ১০টাকৈ ভেলাঘৰ উচৰ্গা কৰি আজি পহিলা মাঘৰ দিনটোত চিৰাং জিলাৰ বড়ো জনগোষ্ঠীয় লোকসকলে অগ্নি দেৱতাক পূজা কৰে।

০০০০০

ৰাজ্যৰ বড়ো জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজিৰে পৰা বাথৌ পূজা পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হৈছে। বাক্সা জিলাৰ বিভিন্ন স্থানত অৱস্থিত বাথৌ মন্দিৰসমূহত বাথৌ উৎসৱ আয়োজন কৰা পৰিলক্ষিত হৈছে। মাঘ বিহুৰ সময়তে বড়ো আৰু অন্য কছাৰী জনগোষ্ঠীৰ লোকসকলে দুইৰ পৰা তিনিদিনীয়াকৈ এই উৎসৱৰ আয়োজন কৰে। কছাৰী সকলৰ লোক দেৱতা বাথৌৰ হিন্দু ধৰ্মৰ দেৱতা শিৱৰ সৈতে সাদৃশ্য আছে। বড়ো-কছাৰীসকলে বিশ্বাস কৰে যে বাথৌ তেওঁলোকৰ পিতৃ দেৱতা। এই উৎসৱৰ দিনটোত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি বাথৌ বেদীত শান্তি পানী ছটিওৱা হয়। বেদীত এটা ঘূৰণীয়া শিল আৰু কুকুৰা কণীৰে বাথৌ দেৱতাক পূজা কৰা হয়।

একেদৰে মকৰ সংক্ৰান্তি উপলক্ষে চাহ জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজি কৃষিভিত্তিক উৎসৱ টুচু পূজা উদযাপন কৰা হৈছে। এই উপলক্ষে উজনি অসমৰ বিভিন্ন চাহ বাগানসমূহৰ চাহ জনগোষ্ঠীসমূহৰ উপাস্য দেৱী টুচুৰ বাৰ্ষিক পূজা উলহ-মালহেৰে আয়োজন কৰে। গোলাঘাট জিলাৰ বোকাখাটৰ লতাবাৰীৰ আহোম গাঁৱৰ মুকলি পথাৰত চাহ জনগোষ্ঠীৰ লোকসকলে পাৰম্পৰিক খেল-ধেমালিৰ আয়োজন কৰে। এই উৎসৱত অংশগ্ৰহণ কৰিবলৈ শিৱসাগৰ, যোৰহাট, নগাঁও ইত্যাদি জিলাসমূহৰ অগণন লোক সমবেত হয়।

চাহ জনগোষ্ঠীৰ লোকসকলে মাঘ বিহুৰ দিনাই এই বিশেষ পূজাৰ আয়োজন কৰে। যুৱক-যুৱতী আৰু নৱ বিবাহিত দম্পতীয়ে এই পূজাত টুচু দেৱীক সাক্ষী কৰি আজীৱন সুখী যুৱীয়া জীৱনৰ কাৰণে প্ৰাৰ্থনা কৰে। পূজাত ঝুমুৰ নৃত্য-গীতৰ আয়োজন কৰা হয়। টুচু দেৱীক মনসা, দুৰ্গা আৰু সীতাৰ সৈতে ৰিজনী দি ডেকা-গাভৰুসকলে ঘৰে ঘৰে গৈ অৰিহনা সংগ্ৰহ কৰে।

০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ জোনবিল মেলাত মুখ্য অতিথি

হিচাপে অংশগ্ৰহণ কৰিব। এই মেলাত মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হ'ব। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকিৰূপত কৰ সংগ্ৰহৰ পাছতে তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব।

বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত অনুষ্ঠিত এই মেলাত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। গোভা দেওৰজাৰ বিবাহ অনুষ্ঠানৰ ইতিহাস জড়িত এই মেলাত পাৰম্পৰিকভাৱে বিনিময় প্ৰথাৰ হাট অনুষ্ঠিত হৈ আহিছে। অসমৰ পাৰ্বত্য জিলাকেইখনৰ লগতে চুবুৰীয়া মেঘালয়ৰো শতাধিক গাঁৱৰ ৰাইজে প্ৰতি বছৰে এই মেলাত স্থানীয়ভাৱে উৎপাদিত কৃষিজাত সামগ্ৰীৰ বিনিময় কৰে। অসমৰ লোক সংস্কৃতিৰ অনন্য উপাদান এই মেলাত সমূহীয়া মাছ ধৰা পৰ্বৰ লগতে পাৰম্পৰিক খেল-ধেমালি আৰু বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী তথা সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। ইতিমধ্যে এই মেলাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

ooooo

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি শিৱসাগৰত টাই-আহোম যুৱ পৰিষদে আয়োজন কৰা পঞ্চদশ বাৰ্ষিক ৰংপুৰ মেলা শীতকালীন উৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ৰংপুৰ মেলাৰ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী উপভোগ কৰি আয়োজকসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৰুৱাই ৰাজ্য চৰকাৰে জিলাখনৰ পৰ্যটনৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। শিৱদৌল, জয়দৌল, তলাতল ঘৰ, ৰংঘৰ, কাৰেংঘৰ আদিকে ধৰি আহোম সাম্ৰাজ্যৰ ঐতিহাসিক সমলেৰে ভৰি থকা শিৱসাগৰ জিলাৰ পৰ্যটনৰ বিকাশৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন আন্তঃগাঁথনিৰ প্ৰভূত উন্নয়ন কৰিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

শ্ৰীবৰুৱাই ইয়াৰ পূৰ্বে শিৱসাগৰ জিলা বিজেপিৰ অস্থায়ী কাৰ্যালয় উদ্বোধন কৰি দলৰ কাৰ্যকৰ্তা আৰু বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীৰ সৈতে বিধায়ক সুশান্ত বৰগোহাঁই, জিলা সভাপতি বিতুপন ৰায়দঙিয়াকে ধৰি অন্যান্য নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাজিৰঙাৰ অগৰাতলী বনাঞ্চল পৰিদৰ্শন কৰে। অগৰাতলীৰ চহলা বিলত বিভিন্ন পৰিভ্ৰমী পক্ষী দৰ্শন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষত অগৰাতলীত পক্ষী মহোৎসৱ আয়োজনৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। পক্ষীপ্ৰেমীসকলৰ কাৰণে ভূস্বৰ্গস্বৰূপ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সৰ্বমুঠ ৫০০বিধ প্ৰজাতিৰ পক্ষী স্থায়ীভাৱে পোৱা যায়। এছীয় ধনেশ, উলুম'ৰাৰ দৰে বিৰল প্ৰজাতিৰ পক্ষীয়েও কাজিৰঙাক আৱাসস্থল হিচাপে গ্ৰহণ কৰে। ইয়াৰ উপৰি শীতকালত চাইবেৰিয়া, আলাস্কা, মানস সৰোবৰ ইত্যাদি ঠাইসমূহৰ পৰা পৰিভ্ৰমী পক্ষীৰো ৰাষ্ট্ৰীয় উদ্যানখনৰ জলাহ অঞ্চললৈ আগমন ঘটে।

ooooo

ানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰীত মানাহ মহোৎসৱৰ প্ৰস্তুতি চলি আছে। ২৫ জানুৱাৰীৰ পৰা ছদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰিবলগীয়া এই মহোৎসৱৰ লাইখুঁটা আজি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি তথা আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ উপাধ্যক্ষ সুভাষ তিৰ্কিৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মহোৎসৱৰ সময়ছোৱাত মানস ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰকৃতিৰ সমাহাৰ, থলুৱা খাদ্য, পৰম্পৰাগত নৃত্য-গীত, আলোচনাচক্ৰ, বাণিজ্য মেলা আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব বুলি উদ্যোক্ত সমিতিয়ে জানিবলৈ দিছে।

ooooo

গুৱাহাটী মহানগৰীৰ ৯ খন আৰক্ষী থানাত নতুন ভাৰপ্ৰাপ্ত বিষয়াক নিযুক্তি দিয়া হৈছে। পৰিদৰ্শক পৰ্যায়ৰ এই আৰক্ষী বিষয়াসকলক তৎকালেই কৰ্তব্যত যোগদান কৰিবলৈ মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে নিৰ্দেশনা জাৰি কৰিছে। ভাস্কৰ মল্ল পাটোৱাৰীক দিছপুৰ আৰক্ষী থানাৰ, কপিল পাঠকক বশিষ্ঠ আৰক্ষী থানাৰ, শংকৰজ্যোতি নাথক পানবজাৰ আৰক্ষী থানাৰ, কুলেশজ্যোতি ভূঞাক পল্টনবজাৰ আৰক্ষী থানাৰ আৰু শ্ৰীমতী জুনামণি কলিতাক চানমাৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে নিযুক্তি দিয়া হৈছে বুলি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনাইছে।

০০০০০

ডিমা হাছাও জিলাৰ মাইবঙৰ খাচমাইপুৰত আজি ডিমাছা ঐতিহ্য সংগ্ৰহালয় আৰু ডিশ্ৰু গৱেষণা কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা উপস্থিত থাকে। কছাৰীসকলৰ ঐতিহ্যমণ্ডিত ৰাজধানী মাইবঙত থকা স্থাপত্য আৰু ভাস্কৰ্যসমূহৰ বিষয়ে গৱেষণাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি শ্ৰীগাৰ্লোছাই কয় যে এই সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰৰ জৰিয়তে ডিমাছা সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰত গুৰুত্ব দিয়া হ'ব। উদ্বোধনী অনুষ্ঠানত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে।

০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰত আজি এজন লোকৰ বাসগৃহৰ চৌহদত পৰিত্যক্ত অৱস্থাত থকা দুটা গ্ৰেণেড উদ্ধাৰ কৰা হয়। পাছত সৰুপথাৰ আৰক্ষীয়ে ঘটনাস্থলীলৈ আহি গ্ৰেণেড দুটা নিষ্ক্ৰিয় কৰাৰ চেষ্টা চলায়। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত এতিয়ালৈকে কোনো তথ্য লাভ কৰা নাই বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ কালাপানী আৰক্ষী থানাৰ অন্তৰ্গত চমৰাশালীত পৰকীয়া প্ৰেমক কেন্দ্ৰ কৰি সৃষ্টি হোৱা মাৰপিটৰ ঘটনাত এজন লোক নিহত হয়। আজি আৰক্ষীয়ে আবু বক্কৰ শ্বেখ এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰে আৰু তেওঁৰ পত্নী, পুত্ৰসহ ৬ জন লোকক নিৰাপদে উদ্ধাৰ কৰে। ঘটনাৰ মূল অভিযুক্ত ওছমান গনি আৰু নিহত আবু বক্কৰৰ পুত্ৰ বৰ্তমান পলাতক অৱস্থাত আছে বুলি আমাৰ হাটশিঙিমাৰীৰ সংবাদদাতাই জনাইছে।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আয়ৰলেণ্ডক ৩০৪ ৰাণত পৰাস্ত কৰি ৩-০ৰ ফলাফলেৰে শৃংখলা দখল কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৪৩৫ ৰাণ কৰি ইতিহাস ৰচনা কৰে। এয়া এদিনীয়া ক্ৰিকেটত ভাৰতীয় মহিলা দলৰ সৰ্বাধিক আৰু মহিলা ক্ৰিকেটৰ ইতিহাসত চতুৰ্থ সৰ্বাধিক। খেলখনত ভাতৰত হৈ অ'পেনাৰ স্মৃতি মান্ধানাই ৮০টা বলত ১৩৫ ৰাণ আৰু প্ৰতীকা ৰাৱালে ১২৯টা বলত ১৫৪ ৰাণ কৰে। মান্ধানা আৰু প্ৰতীকাৰ অ'পেনিং যুটীটোৱে মাত্ৰ ২৬ অভাৰ আৰু চাৰিটা বলত ২৩১ ৰাণ কৰে। প্ৰত্যুত্তৰত আয়ৰলেণ্ডে ৩১ অভাৰ আৰু চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই তিনিটা আৰু তনুজা কনৱাৰে দুটা উইকেট দখল কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্তেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই আজিৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০০

সমাপ্ত